# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 22-06-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - - - -**

শক্তিপীঠ কামাখ্যা ধামত আজিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হৈছে। আজি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হয়। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কালিৰে পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে আজি পুৱা ৫ বজাৰ পৰা ২৫ জুনৰ মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে আজিৰে পৰা কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত ফুটহিলৰ পৰা কামাখ্যা মন্দিৰলৈ কোনো বাহন চলাচল কৰিব নোৱাৰিব। দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে আজিৰে পৰা ২৬ জুনলৈ কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে।

০০০০০

বৃক্ক আৰু যকৃৎ সংৰোপণৰ ক্ষেত্ৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলযোগে প্ৰকাশ কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সফলতাৰে দুজন লোকৰ দেহত বৃক্ক সংৰোপণ কৰাৰ পাছত চিকিৎসালয়খনত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যত শেহতীয়াকৈ অংগদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। দাক্ষিণাত্যত ব্ৰেইন ডেথ হোৱা লোকৰ অংগ দান কৰাৰ ক্ষেত্ৰত পূৰ্বৰে পৰা সজাগতা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে, ৰাজ্যত সজাগতাৰ অভাৱৰ বাবে অংগদানৰ সংখ্যা সীমিত। অৱশ্যে শেহতীয়াকৈ পৰাগজ্যোতি গগৈ নামৰ লোকজনৰ বৃক্কৰে দুজনকৈ লোকক নতুন জীৱন দিব পৰা গ'ল বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ব্ৰেইন ডেথ হোৱা লোকৰ অংগদান কৰিব বিচাৰিলে লোকজনৰ পৰিয়ালক জি এম চি এইচ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনায়। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি জি এম চি এইচত আই ভি এফ কেন্দ্ৰ মুকলি কৰে। এই কেন্দ্ৰত বৰ্তমানলৈ ৩৬ গৰাকী মহিলাক আই ভি এফ চিকিৎসা প্ৰদান কৰা হৈছে।

০০০০০

ৰাজ্যৰ মাধ্যমিক বিদ্যালয়সমূহৰ নতুন ভৱন নিৰ্মাণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে লোকনিৰ্মাণ আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে এই বৈঠকত আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে প্ৰতিটো বিধানসভা সমষ্টিৰ নিৰ্বাচিত দুখনকৈ মাধ্যমিক বিদ্যালয় ভৱনৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইনৰ অধীনত মহিলা সম্পৰ্কীয় বিষয় সন্দৰ্ভত** আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা চাহিনা নাজনিন অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অনুজা লোপামুদ্ৰাই। আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ ফোন নম্বৰ যোগে অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০০০

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ আজি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়ৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। নিউ গুৱাহাটী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই সজাগতা সভাত জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে ভাষণ দিয়ে। সভাত উপস্থিত থাকি সমল ব্যক্তি নিৰৱ মন শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক পঢ়াশুনাত মনোযোগ বৃদ্ধি কৰাৰ লগতে চাপ, উদ্বিগ্নতা আদিৰ পৰা কেনেদৰে হাত সাৰিব পাৰি সেই বিষয়ে পৰামৰ্শ আগবঢ়ায়। তদুপৰি কোনো কাৰণতে নিজৰ চাপ বা হতাশা দূৰ কৰাৰ বাবে নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় নল'বলৈ তেওঁলোকক পৰামৰ্শ আগবঢ়ায়।

০০০০০

সমাপ্ত